# ভাৰত-জৰ্জীয়াৰ মাজত বাণিজ্য, অৰ্থনৈতিক, বিজ্ঞান আৰু প্ৰযুক্তি,সাংস্কৃতিক আৰু শিক্ষাৰ সহযোগিতাৰ বিষয়ত প্ৰথম খন আৰ্ন্ত চৰকাৰী অধিবেশন অনুৰ্ষ্ঠিত ।

এপ্ৰিল ২৯,২০১৪

ভাৰত-জৰ্জীয়াৰ মাজত বাণিজ্য,অৰ্থনীতি,বিজ্ঞান আৰু প্ৰযুক্তি,সাংস্কৃতিক আৰু শিক্ষাৰ ক্ষেত্ৰত সহযোগিতাৰ বিষয়ত প্ৰথম খন অধিবেশন ২৯ এপ্ৰিল ২০১৪ তাৰিখে নতুন দিল্লীত অনুৰ্ষ্ঠিত হয় ।অধিবেশনত ভাৰতীয় প্ৰতিনিধি দলটোক নেতৃত্ব দিছিল কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰনালয়ৰ সচিব(পশ্চিম)শ্ৰী দিনকাৰ খুল্লাৰে আৰু জৰ্জীয়ান প্ৰিতিনিধি দলটোক নেতৃত্ব দিছিল জৰ্জীয়াৰ উপ বিদেশ মন্ত্ৰী মহামান্য শ্ৰী ডেভিদ জালাগানিয়াই । তেওঁ লগত জৰ্জীয়াৰ অতি উষ্চ স্তৰীয় এটা দল লৈ আহে ।

দুয়োপক্ষৰ আলোচনা কালত বাণিজ্য আৰু বিনিয়োগ,শক্তি,উদ্যোগ,তথ্য প্ৰযুক্তি,পৰ্য্যটন,বিজ্ঞান আৰু প্ৰযুক্তি,বাণিজ্যদূত সম্পৰ্কীয় বিষয়সমূহ,সংস্কৃতি,শিক্ষা আৰু স্বাস্থ্যৰ যতন সম্পৰ্কীয় বিষয়সমূহ আৰু ফাৰ্মাটিউকেলৰ বিষয়সমূহ আৰু কৃষি ক্ষেত্ৰৰ বিষয়সমুহে গুৰুত্ব পাইছিল ।জৰ্জীয়াত শেহতীয়া ভাৱে ভাৰতীয় কোম্পেনীসমুহে কৃষি,শক্তি,ষ্টিল আৰু তেল উদ্ভাৱন কৰা ক্ষেত্ৰ সমুহত বিনিয়োগ কৰা বিষয়টো জৰ্জীয়াৰ পক্ষই বৈঠকত উল্লেখ কৰে । বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতাৰে দুয়োদেশে আগবাঢ়িবলৈ বৈঠকত কেবাটাও নিশ্চিত প্ৰস্তাৱ পৰৱৰ্তী পৰ্যায়ত গ্ৰহন কৰাৰ সম্পৰ্কে আলোচনা কৰা হয় । দুয়োপক্ষই বিশেষকৈ ফাৰ্মাটিউকেল,তথ্য প্ৰযুক্তি,কৃষি আৰু পৰ্য্যটনৰ ক্ষেত্ৰ সমুহত সহযোগিতা স্থাপন কৰাৰ দ্বাৰা অধিক লাভবান হোৱাৰ বিষয়টোবৈঠকত উল্লেখ কৰে ।

এই আইজিচি অধিবেশন কালতেই ফিকিত(FICCI) অনুষ্ঠিত বাণিজ্যিক ফ’ৰামত প্ৰতিখন দেশতেই থকা বাণিজ্য আৰু বিনিয়োগ সুযোগ সম্পৰ্কে প্ৰতিবেদন উপস্থাপন কৰা হয় । ফেডাৰেশ্বন অৱ ইন্ডিয়ান চেম্বাৰচ অৱ কমাৰ্চ এন্ড ইন্ডাষ্ট্ৰি(ফিকি) আৰু জৰ্জীয়ান চেম্বাৰ অৱ কমাৰ্চ এন্ড ইন্ডাষ্ট্ৰিৰ মাজত দুয়োদেশৰ সমান গুৰুত্ব বহন কৰা ব্যৱসায়িক আৰু উদ্যোগিক সুবিধাসমূহৰ ক্ষেত্ৰত সহযোগিতা বন্ধুত্ব স্থাপন কৰাৰ অৰ্থে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয় ।

নতুন দিল্লী

এপ্ৰিল ২৯,২০১৪